**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 15-03-2025
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***
**--------------------**

১। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহৰ আজি দেৰগাঁৱত লাচিত বৰফুকন পুলিচ একাডেমীৰ নৱনিৰ্মিত ভৱন মুকলি।

২। শ্ৰীশ্ৰীবটদ্ৰৱা থানক সাংস্কৃতিক আৰু পৰ্যটন ক্ষেত্ৰ হিচাপে গঢ়ি তোলা প্ৰকল্পৰ কাম অহা অক্টোবৰত সম্পূৰ্ণ হ'ব বুলি মুখ্যমন্ত্ৰীৰ প্ৰকাশ।

৩। ৰাভা-হাচং স্বায়ত্তশাসিত পৰিষদৰ নিৰ্বাচনৰ বাবে আজি মনোনয়ন পত্ৰ দাখিল প্ৰক্ৰিয়াৰ অন্তিম দিন।

৪। বিশিষ্ট শিক্ষাবিদ, গীতিকাৰ, সুৰকাৰ লক্ষ্যহীৰা দাসৰ ৯৪ বছৰ বয়সত আজি দেহাৱসান। **আৰু**

৫। মহিলা প্ৰিমিয়াৰ লীগ ক্ৰিকেটৰ ফাইনেলত মুম্বাই ইণ্ডিয়ানছ আৰু ডেলহি কেপিটেলছ মুখামুখি।

০০০০০০

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি দেৰগাঁৱত লাচিত বৰফুকন পুলিচ একাডেমীৰ নৱনিৰ্মিত ভৱন মুকলি কৰিব। ১৬৭ কোটি ৪০ লাখ টকা ব্যয় সাপেক্ষে এই ভৱনটো নিৰ্মাণ কৰা হৈছে। তেওঁ লগতে ৪২৫ কোটি ৪৮ লাখ টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰিবলগীয়া লাচিত বৰফুকন পুলিচ একাডেমীৰ আৱাসগৃহ প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰিব। কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকী কালি সন্ধিয়া যোৰহাট বিমান বন্দৰত উপস্থিত হয়। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাকে ধৰি ৰাজ্য চৰকাৰৰ কেইবাগৰাকীও জ্যেষ্ঠ মন্ত্ৰীয়ে গৃহমন্ত্ৰীগৰাকীক বিমান বন্দৰত আদৰণি জনায়। কালি নিশা তেওঁ দেৰগাঁৱত নৈশ যাপন কৰে। আজিৰ কাৰ্যসূচীৰ আয়োজন সন্দৰ্ভত সবিশেষ জানিবলৈ আমি পোনে পোনে যাও আহক আমাৰ গোলাঘাটৰ সংবাদদাতা হিৰণ্য গগৈৰ ওচৰলৈ—-

**ভইচ (হিৰণ্য গগৈ)**

আজিৰ অনুষ্ঠানত কেন্দ্ৰীয় বন্দৰ, জাহাজ পৰিবহণ আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱাল আৰু মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা উপস্থিত থাকিব।

গৃহমন্ত্ৰীগৰাকীয়ে আজি সন্ধিয়া আইজললৈ যাত্ৰা কৰিব। তাত তেওঁ দেশৰ আটাইতকৈ পুৰণি অৰ্ধসামৰিক বাহিনী আছাম ৰাইফলছৰ প্ৰায় ডেৰশ বছৰ পুৰণি ছাউনীটো আইজল নগৰৰ পৰা প্ৰায় ১৫ কিলোমিটাৰ নিলগৰ জোখ'ছাঙলৈ স্থানান্তৰিত কৰা অনুষ্ঠানত ভাগ ল'ব। আছাম ৰাইফলছৰ ছাউনীটো জোখ'ছাঙলৈ স্থানান্তৰ কৰাৰ মিজো লোকসকলৰ দীৰ্ঘদিনীয়া আশা পূৰণ কৰাত গৃহমন্ত্ৰীগৰাকীৰ এই ভ্ৰমণ অতি গুৰুত্বপূৰ্ণ আৰু ঐতিহাসিক হ'ব বুলি বিবেচনা কৰা হৈছে। ১৯৮৮ চনৰ পৰাই মিজো লোকসকলে আইজল নগৰৰ সোঁমাজত থকা আছাম ৰাইফলছৰ ছাউনীটো এখন নতুন ঠাইলৈ স্থানান্তৰিত কৰাৰ দাবী কৰি আহিছিল। সেই সময়ৰ লালদেংগাৰ নেতৃত্বৰ এম এন এফ চৰকাৰে স্থানান্তৰকৰণৰ বাবে প্ৰথমটো প্ৰস্তাৱ দিছিল। যোৱা বছৰৰ ২৩ অক্টোবৰত নতুন দিল্লীত মিজোৰাম চৰকাৰ আৰু আছাম ৰাইফলছ বাহিনীৰ

মাজত আছাম ৰাইফলছৰ ঘাটি জোখ'ছাঙলৈ স্থানান্তৰিত কৰাৰ ক্ষেত্ৰত এখন বুজাবুজিৰ চুক্তি স্বাক্ষৰিত হয়। এই চুক্তি অনুসৰি আছাম ৰাইফলছৰ আইজলৰ খাটলাত থকা মিজোৰাম খণ্ডৰ আঞ্চলিক চৌহদ আৰু টুইখোৰটলাঙৰ ৰাজভৱনৰ সমীপত থকা উপ-আৰক্ষী মহাপৰিদৰ্শকৰ চৰকাৰী বাসভৱন স্থানান্তৰিত কৰা নহয়। উল্লেখযোগ্য যে, জোখ'ছাঙত বাহিনীটোৰ মূল শিবিৰৰ নিৰ্মাণৰ কাম গৃহমন্ত্ৰী অমিত শ্বাহে যোৱা বছৰৰ এপ্ৰিল মাহত আনুষ্ঠানিকভাৱে শুভাৰম্ভ কৰিছিল।

কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকী কাইলৈ গুৱাহাটীলৈ ওভতি আহিব আৰু কোকৰাঝাৰৰ দোতমাত নিখিল বড়ো ছাত্ৰ সন্থাৰ ৫৭ সংখ্যক বাৰ্ষিক অধিৱেশনত অংশগ্ৰহণ কৰিব। নতুন দিল্লীলৈ উভতি যোৱাৰ পূৰ্বে তেওঁ গুৱাহাটীৰ হোটেল ৰেডিশ্বন ব্লুত ভাৰতীয় ন্যায় সংহিতাৰ ৰূপায়ণ সন্দৰ্ভত উত্তৰ-পূৰ্বাঞ্চলৰ আঠোখন ৰাজ্যৰ মুখ্যমন্ত্ৰীৰ সৈতে বৈঠকত মিলিত হ'ব।

০০০০০০

ৰাজ্য চৰকাৰে শ্ৰীশ্ৰীবটদ্ৰৱা থানৰ উন্নয়ন সাধনেৰে এই স্থানক সাংস্কৃতিক আৰু পৰ্যটন ক্ষেত্ৰ হিচাপে গঢ়ি তোলাৰ উদ্দেশ্যে ৰূপায়ণ কৰা প্ৰকল্পৰ কাম অহা অক্টোবৰত সম্পূৰ্ণ হ'ব। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কালি শ্ৰীশ্ৰীবটদ্ৰৱা থানত দৌল উৎসৱত অংশ লোৱাৰ পাছত সাংবাদিকৰ সৈতে হোৱা কথা বতৰাত এইকথা প্ৰকাশ কৰে। উল্লেখযোগ্য যে ৰাজ্য চৰকাৰে ৰূপায়ণ কৰা আন্তঃগাঁথনি উন্নয়নমূলক প্ৰকল্পৰ জৰিয়তে বটদ্ৰৱাক আধ্যাত্মিক কেন্দ্ৰ, শিল্প কেন্দ্ৰ, সাংস্কৃতিক আৰু গৱেষণা হিচাপে গঢ়ি তোলাৰ প্ৰয়াস কৰা হৈছে। এই প্ৰকল্পত পৰম্পৰাগত স্থাপত্য আৰু অসমৰ সাংস্কৃতিক বৈশিষ্টসমূহৰ উপৰি মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ জীৱন বৃত্তৰ চিত্ৰায়ন আদি সামৰি লোৱা হৈছে। তদুপৰি বৈষ্ণৱ সংস্কৃতিৰ প্ৰসাৰৰ উদ্দেশ্যে বিভিন্ন বাদ্যযন্ত্ৰ, নৃত্য পৰিৱেশন শৈলী আৰু জীৱন শৈলী প্ৰতিকৃতিৰ ৰূপত নিৰ্মাণ কৰাৰ ব্যৱস্থা কৰা হৈছে। মুখ্যমন্ত্ৰীগৰাকীয়ে বটদ্ৰৱা থানত ৰাজ্যবাসীৰ কুশল-মংগল কামনাৰে সেৱা আগবঢ়ায়। তেওঁৰ সৈতে কেন্দ্ৰীয় বৈদেশিক পৰিক্ৰমা বিভাগৰ ৰাজ্য মন্ত্ৰী পৱিত্ৰ মাৰ্ঘেৰিটা আৰু নগাঁৱৰ বিধায়ক ৰূপক শৰ্মা উপস্থিত থাকে।

০০০০০০

ৰাজ্যৰ বিভিন্ন স্থানত আজিও পৰম্পৰাগত ৰীতি-নীতি আৰু উৎসাহ-উদ্দীপনাৰে ফাকুৱা আৰু দৌল উৎসৱ উদযাপন পালন কৰা হৈছে। বৰপেটাৰ পাটবাউসী, গনককুছি, সুন্দৰীদিয়া আৰু বাৰাদি সত্ৰতো দৌল মহোৎসৱ উপলক্ষে উখল-মাখল পৰিৱেশৰ সৃষ্টি হৈছে। কৃষ্ণ বন্দনা আৰু হোলী গীতেৰে বৰপেটাৰ আকাশ-বতাহ মুখৰ হৈ উঠিছে। ওড়িশাৰ পৰা হোলী গীতৰ দল, মণিপুৰী সাংস্কৃতিক দল, আদিবাসী সাংস্কৃতিক দলৰ লগতে বিভিন্ন স্থানীয় শিল্পীৰ গীত পৰিৱেশনেৰে সত্ৰ নগৰীখন প্ৰাণচঞ্চল হৈ উঠিছে। বৰপেটা সত্ৰত শ্ৰীশ্ৰী কৃষ্ণৰ দৌল মহোৎসৱত অংশ লোৱাৰ লগতে গোসাঁইক সেৱা জনাই আশীৰ্বদ ল'বলৈ বিভিন্ন প্ৰান্তৰ লোকৰ সমাগম ঘটিছে। দৌল উৎসৱৰ পৰিৱেশ তথা কাৰ্যসূচী আৰু পৰম্পৰা সন্দৰ্ভত সবিশেষ জনাইছে আমাৰ সংবাদদাতা অৰূপজ্যোতি মহন্তই-

*(বাইট ঃ অৰূপজ্যোতি মহন্ত)*

মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ জন্মস্থান বটদ্ৰৱাত গুৰুজনাই প্ৰায় ৫০০ বছৰ পূৰ্বে আৰম্ভ কৰা পৰম্পৰাৰ সৈতে সংগতি ৰাখি বটদ্ৰৱা সত্ৰত পাঁচদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে আয়োজন কৰা দৌল উৎসৱৰ আজি তৃতীয় দিনাও উখল-মাখল পৰিৱেশ বিৰাজ কৰিছে।

দৌল যাত্ৰা উৎসৱৰ সৈতে সংগতি ৰাখি কালিৰে পৰা আকাশীগংগাৰ তীৰৰ আই খেৰসুঁতি প্ৰেক্ষাগৃহত সাংস্কৃতিক অনুষ্ঠানৰো আয়োজন কৰা হৈছে।

যোৰহাট জিলাৰ ৰংদৈত তিনি দিনীয়া কাৰ্যসূচীৰে শ্ৰী শ্ৰী গোবিন্দৰ দৌল যাত্ৰা উদযাপন কৰা হৈছে।

মাজুলীৰ ঐতিহাসিক দক্ষিণপাট সত্ৰ, গড়মূৰ সত্ৰ, বেঙেনাআটী সত্ৰ, চামগুৰি সত্ৰকে ধৰি কেইবাখনো সত্ৰত ফল্গুৎসৱৰ ব্যাপক আয়োজন কৰা হৈছে। মুখাশিল্পৰ বাবে বিশ্বখ্যাত চামগুৰি সত্ৰতো চাৰিদিনীয়াকৈ দৌল উৎসৱ উদযাপন কৰা হৈছে।

গোৱালপাৰাৰ ৰংজুলিৰ ঐতিহ্যমণ্ডিত শ্ৰীশ্ৰীৰামচন্দ্ৰ বিগ্ৰহ দেৱালয়ত ৫ দিনীয়া কাৰ্যসূচীৰে আয়োজিত দৌল উৎসৱৰ আজি তৃতীয় দিনাও উখল-মাখল পৰিৱেশ বিৰাজ কৰিছে। কাৰ্যসূচীৰ কালি দ্বিতীয় দিনা কলীয়া গোসাঁইক দৌলত আৰোহন কৰোৱাৰ পাছত হোলী গীত আৰু হোলী খেল প্ৰদৰ্শন কৰা হয়। আজি পুৱা ঊষা কীৰ্তন আৰু গীতা পাঠেৰে দিনটোৰ কাৰ্যসূচীৰ শুভাৰম্ভ কৰা হয়। দিনৰ ভাগলৈ পূজা, নামকীৰ্তন, বৰঢুলীয়া নৃত্য, সিধা বিতৰণ আদি কাৰ্যসূচী ৰূপায়ণ কৰা হ'ব। একেদৰে গোৱালপাৰা চহৰৰ শ্ৰীশ্ৰী শ্যামৰায় সত্ৰ আৰু পশ্চিম গোৱালপাৰাৰ কেৰলীয়াহাটী সত্ৰৰ লগতে লক্ষীপুৰ, দুধনৈ, কৃষ্ণাই, ধুপধৰা, আগিয়া, মাটিয়া আদি অঞ্চলতো দৌল উৎসৱ উপলক্ষে উখল-মাখল পৰিৱেশ বিৰাজ কৰিছে।

উত্তৰ গুৱাহাটীৰ ঐতিহ্যমণ্ডিত শ্ৰীশ্ৰীদৌল গোবিন্দ মন্দিৰত আধ্যাত্মিক পৰম্পৰা আৰু ৰীতি-নীতিৰে দৌল উৎসৱ পৰা কৰা হয়।

গুৱাহাটী মহানগৰীতো দৌল উৎসৱ আৰু ফাকুৱা উপলক্ষে উৎসৱমুখৰ পৰিৱেশৰ সৃষ্টি হৈছে। ফাকুৱা উপলক্ষে কামৰূপ মহানগৰ জিলাকে ধৰি প্ৰায়বোৰ জিলাতে আজি স্থানীয় বন্ধ ঘোষণা কৰা হৈছে।

বাক্সা জিলাৰ শ্ৰীশ্ৰী নৰসিংহ কীৰ্তন ঘৰত ৭ দিনীয়া কাৰ্যসূচীৰে আয়োজিত দৌল উৎসৱত কালি নৰসিংহ নামৰ এখন স্মৰণিকা উন্মোচন কৰা হয়। দৌল উৎসৱৰ লগত সংগতি ৰাখি ১৮ মাৰ্চত সাংস্কৃতিক অনুষ্ঠানৰো আয়োজন কৰা হৈছে। জিলাখনৰ চমুৱাৰ শ্ৰীকৃষ্ণ দৌল মন্দিৰ প্ৰাংগণত ৫ দিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে আয়োজিত দৌল মহোৎসৱত কালি হোম-যজ্ঞ, ঘোষাপাঠ কৰাৰ উপৰি নিশাৰ ভাগত **আউসীৰ জোনাক** শীৰ্ষক এখনি নাটক মঞ্চস্থ কৰা হয়।

ফাকুৱা উপলক্ষে শিলচৰতো কালি আৰ্যসংস্কৃতি বোধনি সমিতিৰ উদ্যোগত কেইবাটাও সংগঠনে শিলচৰৰ নৰ্মেল স্কুল চৌহদত ফুলদৌল শীৰ্ষক ব্যতিক্ৰমী অনুষ্ঠানৰ আয়োজন কৰে। এই সমিতিখনে কেইবাবছৰ ধৰি কেৱল ফুলেৰে দৌল পূৰ্ণিমা পালন কৰি আহিছে।

কোচবিহাৰৰ ইতিহাস প্ৰসিদ্ধ মধুপুৰ সত্ৰতো তিনিদিনীয়াকৈ দৌল উৎসৱ পালন কৰা হৈছে। কাইলৈ গোসাঁইক লৈ শোভাযাত্ৰা কৰা হ'ব।

০০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে আজি নিশা ৮ বাজি ২ মিনিটৰ দৃষ্টিপাতত **ফাকুৱা বা দৌল উৎসৱৰ ৰং** শীৰ্ষক এটা বিশেষ অনুষ্ঠান প্ৰচাৰ কৰিব। এই অনুষ্ঠানত ৰাজ্যখনত থকা আকাশবাণীৰ কেইবাগৰাকীও সংবাদদাতা আৰু কেইবাগৰাকীও শ্ৰোতাই সময়ৰ সোঁতত এই উৎসৱৰ পৰিৱৰ্তন আৰু আকৰ্ষণ সম্পৰ্কত মতামত ব্যক্ত কৰিব। এই অনুষ্ঠানৰ পৰিকল্পনা, প্ৰযোজনা আৰু উপস্থাপন ৰাজীৱ লোচন বৰঠাকুৰৰ।

আনহাতে, বাতৰি বিভাগে কাইলৈ সন্ধিয়া ৭ বাজি ৪৫ মিনিটৰ সংবাদ চলন্তিকাত গুৱাহাটী প্ৰেছ ক্লাবৰ উদ্যোগত গুৱাহাটীত কৰ্মৰত সাংবাদিকসকলে পৰিৱেশন কৰা **গান্ধাৰীৰ অভিশাপ** নামৰ ভাওনাৰ বিষয়ে বিশেষ অনুষ্ঠান প্ৰচাৰ কৰিব। এই ভাওনাখনৰ পৰিকল্পনা ঋতুপৰ্ণ দাসৰ আৰু পৰিচালনা ডং দীপেন দাসৰ। গুৱাহাটীৰ বিভিন্ন বৈদ্যুতিন চেনেলৰ সাংবাদিকে অভিনয় কৰা এই ভাওনাখনিত ধৃতৰাষ্ট্ৰৰ চৰিত্ৰত

অভিনয় কৰিছে মৃগাংক শইকীয়া, কৰ্ণ চৰিত্ৰত শোণিত কুমাৰ ভূঞা, শকুনি চৰিত্ৰত অভিজিৎ গোস্বামী আৰু কৃষ্ণৰ চৰিত্ৰত অভিনয় কৰিছে বিমল ভূষণ মহন্তই। গান্ধাৰীৰ চৰিত্ৰত অভিনয় কৰিছে এঞ্জেলা চাংমাই।

০০০০০০

অহা ২ এপ্ৰিলত হ'বলগীয়া ৰাভা-হাচং স্বায়ত্তশাসিত পৰিষদৰ নিৰ্বাচনৰ বাবে আজি মনোনয়ন পত্ৰ দাখিল প্ৰক্ৰিয়াৰ অন্তিম দিন। পৰিষদৰ অন্তৰ্গত মুঠ ৩৬টা সমষ্টিৰ ভিতৰত কামৰূপ জিলাত থকা ১৬টা পৰিষদীয় সমষ্টিৰ মনোনয়ন পত্ৰ দাখিল প্ৰক্ৰিয়াৰ বাবে জিলা প্ৰশাসনে ৰাজহ চক্ৰৰ কাৰ্যালয় আৰু খণ্ড উন্নয়ন কাৰ্যালয়ৰ মুঠ ১৬ গৰাকী সহকাৰী ৰিটাৰ্নিং বিষয়া নিয়োগ কৰিছে।

গোৱালপাৰা জিলাৰ ২০টা পৰিষদীয় সমষ্টিৰ বাবে মনোনয়ন পত্ৰ সংগ্ৰহ আৰু দাখিলৰ বাবে জিলা প্ৰশাসনে জিলা আয়ুক্তৰ কাৰ্যালয়ৰ বহুমুখী ভৱনত নিয়াৰিকৈ ব্যৱস্থা গ্ৰহণ কৰিছে। জিলাখনৰ আটাইকেইটা পৰিষদীয় সমষ্টিৰ বাবে ভালেমান প্ৰাৰ্থীৰ মনোনয়ন পত্ৰ দাখিলৰ সম্ভাৱনা আছে। ৰাভা-হাচং শ্বায়ত্তশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য টংকেশ্বৰ ৰাভাই ৭ নম্বৰ দক্ষিণ দুধনৈ সমষ্টিৰ পৰা মনোনয়ন পত্ৰ দাখিল কৰিব।

আজি বিয়লি ৩ বজালৈকে প্ৰাৰ্থী মনোনয়ন পত্ৰ সংগ্ৰহ আৰু দাখিল কৰিব পাৰিব। ১৭ মাৰ্চত মনোনয়ন পত্ৰসমূহ পৰীক্ষা কৰা হ'ব। ১৯ মাৰ্চ মনোনয়ন প্ৰত্যাহাৰৰ অন্তিম দিন। ২ এপ্ৰিলত নিৰ্বাচন অনুষ্ঠিত হ'ব আৰু ৪ এপ্ৰিলত ভোটগণনা কৰা হ'ব। সেইদিনাই ফলাফলসমূহ ঘোষণা কৰা হ'ব। ৰাভা-হাচং স্বায়ত্তশাসিত পৰিষদৰ নিৰ্বাচনৰ বাবে মুঠ ৬৩০টা ভোটকেন্দ্ৰ স্থাপন কৰা হ'ব। নিৰ্বাচন হ'বলগীয়া ৩৬টা সমষ্টিত মুঠ ৪ লাখ ৪৫ হাজাৰ ৫৮৬ জন ভোটদাতা আছে। ইয়াৰে দুই লাখ ১৬ হাজাৰ ১৮১ গৰাকী পুৰুষ, দুই লাখ ২৯ হাজাৰ ৩৯৪ গৰাকী মহিলা আৰু ১১ গৰাকী তৃতীয় লিংগৰ ভোটদাতা আছে।

০০০০০০

বিশিষ্ট শিক্ষাবিদ, সাহিত্যিক, গীতিকাৰ, সুৰকাৰ তথা সংগীতশিল্পী ড০ লক্ষ্যহীৰা দাসৰ আজি পুৱতি নিশা হৃদৰোগত আক্ৰান্ত হৈ গুৱাহাটীৰ ৰাজগড়ৰ নিজা বাসভৱনত দেহাৱসান হয়। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৯৪ বছৰ। ১৯৩১ চনৰ ১৩ ফেব্ৰুৱাৰীত জন্মগ্ৰহণ কৰা ড০ লক্ষ্যহীৰা দাসক ১৯৯৫ চনত ৰাজ্য চৰকাৰৰ **শিল্পী পেন্সন** আৰু ২০০৩ চনত **শিল্পী বঁটা** প্ৰদান কৰা হৈছিল। ২০২২ চনত ড০ দাসে সংগীত নাটক অকাডেমী বঁটা লাভ কৰিছিল। ১৯৫৯ চনত তেওঁ কটন মহাবিদ্যালয়ত প্ৰবক্তা হিচাপে যোগদান কৰিছিল আৰু পিছলৈ ১৯৭৭ চনত গুৱাহাটী বিশ্ববিদ্যালয়ৰ শিক্ষা বিভাগত অধ্যাপিকা হিচাপে যোগদান কৰিছিল। আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ গীতিকাৰ, সুৰকাৰ তথা কণ্ঠশিল্পী হিচাপে স্বীকৃতিপ্ৰাপ্ত ড০ লক্ষ্যহীৰা দাসে কেইবাটাও গীতত কণ্ঠদান কৰাৰ উপৰি আন বহুতো গীত ৰচনা তথা সুৰ সংযোজন কৰি থৈ গৈছে। শিল্পীগৰাকীয়ে লাচিত বৰফুকন কথাছবিৰ বাবে শ্ৰেষ্ঠ নেপথ্য কণ্ঠশিল্পীৰ বঁটা লাভ কৰিছিল। তেওঁৰ প্ৰথমখন কাব্য সংকলন হৈছে **প্ৰাণগংগা** আৰু প্ৰথমখন গল্প সংকলন হৈছে **তাপসী**। ইয়াৰ উপৰি শিক্ষা বিষয়ৰ ভালেকেইখন গ্ৰন্থৰ লগতে বহু কেইখন গল্প, কবিতা, উপন্যাস আৰু গীতি সংকলনেৰে তেওঁ অসমীয়া সাহিত্য-সংস্কৃতিৰ ভঁৰাল চহকী কৰি থৈ গৈছে। আমাৰ কেন্দ্ৰত বাণীবদ্ধ শিল্পীগৰাকীৰ এটি গীতেৰে আমি তেওঁলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিছোঁ।

০০০০০০

০০০০০০

মহিলা প্ৰিমিয়াৰ লীগ ক্ৰিকেটত আজি মুম্বাইৰ ব্ৰেবৰ্ণ ষ্টেডিয়ামত হ'বলগীয়া ফাইনেলত মুম্বাই ইণ্ডিয়ানছ্ ডেলহি কেপিটেলছ্ৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব। মেগ লেনিঙৰ নেতৃত্বাধীন ডেলহি কেপিটেলছে প্ৰতিযোগিতাৰ ৮ খন খেলৰ ৫ খনত জয় লাভ কৰি লীগ পৰ্যায়ত শক্তিশালী প্ৰদৰ্শন আগবঢ়ায়। ডেলহি কেপিটেলছে তৃতীয়বাৰৰ বাবে একেৰাহে ফাইনেলত প্ৰৱেশ কৰিছে যদিও দলটোৱে এতিয়ালৈকে মহিলা প্ৰিমিয়াৰ লীগৰ খিতাপ অৰ্জন কৰিবলৈ সমৰ্থ হোৱা নাই।

oooooo

সমাপ্ত